# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-02-2025
**Time :** 18-00 Hrs

### ASSAMESE EVENING BULLETIN
::::::::::::::::::::::::::::::::::

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ পতাকা অৱনমনেৰে চাৰিদিনীয়া কাৰ্যসূচীৰ আজি সামৰণি পৰে। আজি পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ লগতে পুৱা ৮ বজাৰ পৰা নৱনিৰ্বাচিত সদস্যসকলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আৰু দিনৰ ভাগত সেৱা বাহিনীৰ অন্তৰংগ অনুষ্ঠান, ধৰ্মালোচনী সভাৰো আয়োজন কৰা হয়। বিভিন্ন জিলাৰ পৰা অহা ভকত বৈষ্ণৱে আজি অশ্ৰুসিক্ত নয়নেৰে অধিবেশনথলীৰ পৰা বিদায় লয়।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন তেজপুৰত অনুষ্ঠিত হ'ব।

০০০০০

ধেমাজি জিলাৰ জিয়াঢলত অনুষ্ঠিত সোণোৱাল-কছাৰী সাহিত্য সভাৰ দ্বিবাৰ্ষিক ধেমাজি অধিবেশনৰ আজি অন্তিম দিনা সহস্ৰাধিক সাহিত্যানুৰাগীৰ সমাগম হয়। আজি অন্তিম দিনা আয়োজিত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাত সোণোৱাল-কছাৰীৰ লগতে আন জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিও প্ৰদৰ্শন কৰা হয়। অভিনেতা অৰুণ হাজৰিকাই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত আয়োজিত জনগোষ্ঠীয় সমাৰোহ আৰু মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে তেওঁৰ ভাষণত সোণোৱাল-কছাৰীসকলৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ তথা বিকাশৰ উদ্দেশ্যে অনুষ্ঠানটোৱে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। সভাখনত সোণোৱাল-কছাৰী সাহিত্য সভাই প্ৰকাশ কৰা কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে সোণোৱাল-কছাৰীসকলৰ ইতিহাস আৰু লোকসাহিত্যৰ ৫৯খন গ্ৰন্থ দুটা বছৰত প্ৰকাশ কৰি সোণোৱাল-কছাৰী সাহিত্য সভাই ৰাজ্যৰ ভাষা-সাহিত্য আৰু বৌদ্ধিক জগতলৈ অনবদ্য অৱদান আগবঢ়াইছে।

০০০

ধেমাজী জিলাৰ দুগ্ধ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে আজি শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ উপস্থিতিত জিলাখনৰ পশুপালন, দুগ্ধ উন্নয়ন, গ্ৰামোন্নয়নকে ধৰি কেইবাটাও বিভাগৰ বিষয়াসকল এখন বৈঠকত মিলিত হয়। এই বৈঠকত দুগ্ধ উৎপাদন বৃদ্ধিৰ বাবে জিলা পৰ্যায়ত বছৰযোৰা পৰিকল্পনা যুগুত কৰা হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলাখনত দুগ্ধ উৎপাদন বৃদ্ধি কৰি পৰ্যাপ্ত প্ৰয়োজন পূৰণ কৰিব পৰা অৱস্থালৈ অনাৰ লগতে ৰাজ্যখনৰ অন্যান্য অংশলৈ প্ৰেৰণৰ দিহা কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০

শিৱসাগৰৰ দিখৌমুখৰ আজানপীৰ দৰগাহত কালিৰে পৰা অনুষ্ঠিত বাৰ্ষিক সমুহীয়া দোৱা আৰু জিয়াৰৎ অনুষ্ঠানৰ আজি সামৰণি পৰে। এই উপলক্ষে দৰগাহলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে অন্য ধৰ্মাৱলম্বী অগণন লোকৰ সমাগম হয়। আজানপীৰ দৰগাহ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই জিয়াৰৎ উপলক্ষে কালি জিকিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি অনুষ্ঠিত মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° কৰবি ডেকা হাজৰিকাই মুখ্য বক্তা হিচাপে অংশ লৈ দিয়া ভাষণত আজানপীৰক সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্বল নিদৰ্শন বুলি উল্লেখ কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচি মহন্তই উদ্বোধন কৰা মুকলি সভাত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই স'ৰাগুৰিৰ আজান শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। এই সভাতে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যশ্ৰী ড° সৌমাৰজ্যোতি মহন্তই আন এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° কন্দৰ্প কুমাৰ ডেকা, জিকিৰ গৱেষক হকীকুৰ ৰহমানকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

মাজুলী মীন শিল্প সমবায় সমিতি লিমিটেড আৰু ইষ্টাৰ্ণ ষ্টন এণ্ড কিডনী ফাউণ্ডেশ্যনৰ উদ্যোগত বৃক্ক তথা প্ৰস্ৰাৱজনিত সমস্যাৰ বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মাজুলীৰ মহকিনাত থকা সমিতিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই শিবিৰত ৬৫০গৰাকী লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। স্বাস্থ্য শিবিৰটোত লেজাৰমেন খ্যাত ডাঃ অৰূপ কুমাৰ দাসৰ নেতৃত্বত এটা ১৫-জনীয়া চিকিৎসকৰ দলে স্বাস্থ্য সেৱা আগবঢ়ায়।

০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে অসম চৰকাৰে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিযোগিতাসমূহ বিভিন্ন জিলাত চলি আছে। যোৰহাট সাঁতোৰ সন্থাৰ জলক্ৰীড়া প্ৰকল্পত আজি এই প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। মাণ্ডলিক পৰ্যায়ৰ সাঁতোৰ প্ৰতিযোগিতাত যোৰহাট, গোলাঘাট, মাজুলী আৰু শিৱসাগৰ জিলাৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰে।

০০০০

তিনিচুকীয়া জিলাৰ শদিয়াত আজি শিল্পী ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হয়। সদ্যপ্ৰয়াত শিল্পীগৰাকীৰ টোপচিঙা গাঁৱত আয়োজিত ৰাজহুৱা আদ্যশ্ৰাদ্ধত বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ লোক সমবেত হৈছে। ধৰ্মীয় পৰম্পৰাৰে আয়োজিত আদ্যশ্ৰাদ্ধ উপলক্ষে এখন স্মৃতিচাৰণ সভাও অনুষ্ঠিত হয়। এই সভাত শিল্পী মহেন্দ্ৰ হাজৰিকা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ, সাধাৰণ সম্পাদক জগদীশ ভূঞাই অংশগ্ৰহণ কৰে। প্ৰয়াত শিল্পীগৰাকীৰ ন্যাসৰ এটা বিত্তীয় লেনদেন ক'ড মহেন্দ্ৰ হাজৰিকাই উন্মোচন কৰে।

০০০০

ইংলেণ্ডে কটকত আজি অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক জয়ৰ বাবে ৩০৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত জিকি প্ৰথমে বেট ধৰি ভ্ৰমণকাৰী দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ৩০৪ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ জ' ৰুটে সৰ্বাধিক ৬৯, বেন ডাকেটে ৬৫ আৰু লিয়াম লিভিংষ্টনে ৪১ ৰাণৰ বৰঙণি আগবঢ়ায়। জছ বাটলাৰ ৩৪ আৰু হেৰি ব্ৰুকে ৩১ ৰাণ সংগ্ৰহ কৰে। দলটোৱে আৰম্ভণিতে আক্ৰমণাত্মক বেটিং কৰিছিল যদিও ভাৰতীয় বলাৰৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত শেষৰফালে নিয়মীয়া

ব্যৱধানত উইকেট হেৰুৱায়। ভাৰতৰ হৈ বলিং অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক তিনিটা উইকেট দখল কৰে। মহম্মদ ছামি, হৰ্ষিত ৰাণা, হাৰ্দিক পাণ্ডিয়া আৰু বৰুণ চক্ৰৱৰ্ত্তীয়ে এটাকৈ উইকেট ভগায় লয়।

ooooo

সমাপ্ত